তিনিচুকীয়াৰ জিলাৰ বাতৰি দিওঁতা ঃ উইমেনজ কলেজ, তিনিচুকীয়াৰ অসমীয়া বিভাগ, ইংৰাজী বিভাগ, বাংলা বিভাগ আৰু হিন্দী বিভাগৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস আজি পালন কৰা হয়। আজিৰ অনুষ্ঠানৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে শিক্ষাবিদ উত্তম দুৱৰা। তেওঁ বক্তব্য প্ৰসংগত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাষাৰ স্থিতি সম্পৰ্কে ব্যক্ত কৰাৰ লগতে আজিৰ বিশ্বায়নৰ যুগত ডাঙৰ ডাঙৰ ভাষাবিলাকৰ গ্ৰাসত কিদৰে সৰু সৰু ভাষাবিলাক ক্ৰমান্বয়ে হেৰাই যোৱাৰ উপক্ৰম হৈছে, সেই সম্পৰ্কে তথ্যভিত্তিক এক সুন্দৰ বিশ্লেষণ আগবঢ়ায়। একেদৰে তিনিচুকীয়াৰ অন্যতম শিক্ষানুষ্ঠান সৌমাৰজ্যোতি বিদ্যালয়তো আজি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে মাতৃভাষা দিৱস পালন কৰে।

---